জনসাধাৰণ

**Date : 23-Feb-16 Page : 15**

# নুমলীগড় মাৰাথন ঃ পুৰুষত শ্ৰেষ্ঠ ছাইমন

ষ্টাফ ৰিপৰ্টাৰ, ২২ ফেব্ৰুৱাৰী ঃ নুমলীগড় মাৰাথন দৌৰ দেওবাৰে নুমলীগড়ত অনুষ্ঠিত হয়। মৰাথনৰ পুৰুষৰ দহ কিলমিটাৰত কেনিয়াৰ ছাইমন কিপলাগাটে শ্ৰেষ্ঠত্ব অৰ্জন কৰাৰ বিপৰীতে কেনিয়াৰে পিটাৰ বাং গিটিয়াই দ্বিতীয় আৰু গুৱাহাটীৰ সোমেজউদ্দিনে তৃতীয় স্থান অধিকাৰ কৰে। মহিলাৰ দহ কিলমিটাৰত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰে ক্ৰমে— গুৱাহাটীৰ মাটোৱৰা আহমেদ, সূৰ্যভানু আৰু খুমটাইৰ দীপালী কুৰ্মীয়ে। পুৰুষৰ ৫ কিলমিটাৰত গুৱাহাটীৰ হবিবুন আহমেদে প্ৰথম, তাহেৰ আলীয়ে দ্বিতীয় আৰু জহিদুল আলীয়ে তৃতীয় স্থান পায়। আনহাতে, মহিলাৰ ৫ কিলমিটাৰ দৌৰত মিনুৱাৰা খাতুনে প্ৰথম, সুমিত্ৰা মিধিহি দ্বিতীয় আৰু আছমা পাৰবিনে তৃতীয় স্থান অধিকাৰ কৰে। ইফালে, পুৰুষৰ ৩ কিলমিটাৰ দৌৰত নাৰায়ণ তিৱাৰে প্ৰথম, হেমন্ত বৰবৰাই দ্বিতীয় আৰু আকাশ সৌৰভে তৃতীয় স্থান দখল কৰে। সেইদৰে মহিলাৰ ৩ কিলমিটাৰ দৌৰত ভৱানী কছাৰীয়ে প্ৰথম, মাইনা পাটিৰিয়ে দ্বিতীয় আৰু নন্দী মানাই তৃতীয় স্থান অধিকাৰ কৰে।